# REGIONEL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-05-2025 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***

কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ে আজিৰে পৰা ১২ জুনলৈ দেশজুৰি বিকশিত কৃষি সংকল্প অভিযানৰ আয়োজন কৰিছে। এই অভিযানৰ উদ্দেশ্য হৈছে – দেশৰ ৭০০ খন জিলাৰ প্ৰায় ডেৰ কোটি কৃষকক কৃষি আৰু আনুষংগিক ক্ষেত্ৰসমূহৰ বিষয়ে সজাগ কৰা। অসমতো এই অভিযানত ২৬ খন জিলাৰ ৩ হাজাৰ ২৫০ খন গাঁও আৰু ৫ লাখৰো অধিক কৃষকক সামৰি লোৱাৰ ব্যৱস্থা কৰা হৈছে। ইতিমধ্যে এই অভিযানৰ বাবে কৃষি বিভাগ, আনুসংগিক বিভাগ আৰু কৃষি বিজ্ঞানীসকলক লৈ ৫২টা গোট গঠন কৰা হৈছে। এই কাৰ্যসূচীৰ সময়ছোৱাত খাৰিফ শস্য উৎপাদনত সহায়ক হোৱাকৈ বহনক্ষম প্ৰযুক্তিৰ বিষয়ে প্ৰচাৰ, ভূমি স্বাস্থ্য পত্ৰৰ আধাৰত সাৰৰ ব্যৱহাৰ, কৃষি খণ্ডৰ বিভিন্ন সমস্যাৰ অধ্যয়ন আৰু ইয়াৰ ওপৰত প্ৰাথমিকভাৱে গৱেষণাৰ ৰূপৰেখা তৈয়াৰৰ ব্যৱস্থা কৰা হ'ব।

এই অভিযানৰ অংশ হিচাপে ধেমাজি কৃষি বিজ্ঞান কেন্দ্ৰই জিলা প্ৰশাসন, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান, কৃষি, পশু আৰু দুগ্ধ তথা মৎস্য বিভাগৰ সহযোগত বিশেষ কাৰ্যসূচী গ্ৰহণ কৰিছে। ১৩ দিনীয়া এই কাৰ্যসূচীত জিলাখনৰ ৫২টা স্থানৰ সকলো গাঁও পঞ্চায়তৰ অন্তৰ্গত ১০ হাজাৰৰো অধিক কৃষকক সামৰি লোৱা হৈছে। লখিমপুৰ জিলাতো আজিৰেপৰা এই অভিযানৰ অধীনত কাৰ্যসূচী অনুষ্ঠিত হৈছে। ইয়াৰ অংশ হিচাপে জিলা প্ৰশাসনৰ বিষয়ববীয়া, কৃষি বিজ্ঞানী আৰু বিভাগীয় বিষয়াসকলে কৃষকৰ মাজত সজাগতা সৃষ্টিৰ বাবে প্ৰয়াস চলাব।

ধুবুৰী জিলাত আজিৰেপৰা এই অভিযানৰ কাৰ্যসূচী অনুষ্ঠিত হৈছে। জিলাখনৰ ১০ টা উন্নয়ন খণ্ডৰ গাঁওসমূহক সামৰি এই অভিযান ৰূপায়ণ কৰা হৈছে।

০০০০০০০

কৃষক কল্যাণৰ হকে কেন্দ্ৰীয় চৰকাৰৰ ধ্বজাবাহী আঁচনি প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত শিৱসাগৰ জিলাৰ কৃষকসকলক শস্য বীমা কৰাবৰ বাবে জিলা কৃষি বিভাগে আহ্বান জনাইছে। এই আঁচনিৰ অধীনত শস্য বীমা কৰোৱা কৃষকসকলৰ শস্য, প্ৰাকৃতিক দুৰ্যোগ অথবা কীট-পতংগই অনিষ্ট কৰিলে তেওঁলোকক ইয়াৰ ক্ষতিপূৰণ দিয়া হ'ব। এই আঁচনিৰ অধীনত মাত্ৰ এশ টকাত ১ হেক্টৰ কৃষি ভূমিৰ শস্য বীমা কৰিব পাৰিব বুলি জিলা কৃষি বিভাগে প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে কৃষকসকলে শালি খেতিৰ বাবে ৩১ জুলাই পৰ্যন্ত পঞ্জীয়ন কৰিব পাৰিব। পঞ্জীয়নৰ বাবে আধাৰকাৰ্ড, মাটিৰ খাজনা ৰচিদ, বেংক পাছবুক আৰু ম'বাইল নম্বৰ থকাটো প্ৰয়োজনীয় বুলি কৃষি বিভাগে জানিবলৈ দিছে। জিলাখনত এছ বি আই সাধাৰণ বীমা কোম্পানীৰ দ্বাৰা শস্য বীমা কৰোৱা হ'ব। জিলাখনত এইবছৰ খাৰিফ শস্যৰ বাবে ২৬ হাজাৰ ৫০০ টা পঞ্জীয়নৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

০০০০০০০

ৰাজ্য চৰকাৰে কন্যা সন্তানৰ বিদ্যায়তনিক শিক্ষাৰ লগতে তেওঁলোকক আত্মৰক্ষাৰ ক্ষেত্ৰত শক্তিশালী কৰি গঢ়ি তোলাৰ বাবে ৰাণী লক্ষ্মীবাই আত্মৰক্ষা প্ৰশিক্ষণৰ জৰিয়তে বৰ্তমানলৈকে ১০ লাখ ৫ হাজাৰ কন্যাক সমৰকলাৰ প্ৰশিক্ষণ প্ৰদান কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমৰ এটা বাৰ্তাত এই কথা উল্লেখ কৰি কয়, যে এই প্ৰশিক্ষণ কাৰ্যসূচীৰ অধীনত ২০২৪-২৫ বৰ্ষত ১৩ হাজাৰ ৩৬৭ খন বিদ্যালয়ক সামৰি লোৱা হৈছে। ইয়াৰ অধীনত ষষ্ঠৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰীসকলক কাৰাটে, জুডো আৰু টাইকোৱাণ্ডোৰ সমৰকলাৰ তিনিমহীয়া প্ৰশিক্ষণ প্ৰদান কৰা হয়।

০০০০০০০০০

কেন্দ্ৰীয় তীখা আৰু গুৰু উদ্যোগ দপ্তৰৰ ৰাজ্য মন্ত্ৰী ভূপতি ৰাজু শ্ৰীনিবাস বাৰ্মাই আজি দুদিনীয়া কাৰ্যসূচীৰে দক্ষিণ শালমাৰা মানকাচাৰ জিলালৈ আহিব। মন্ত্ৰীগৰাকীয়ে জিলা প্ৰশাসন আৰু বিভিন্ন বিভাগৰ মুৰববীৰ সৈতে হাটশিঙিমাৰীত এখন পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰাৰ পাছত জিলাখনত ৰূপায়ণ হৈ থকা জলজীৱন মিছনৰ তিনিখন আঁচনিৰ কাম-কাজ পৰিদৰ্শন কৰিব।

মন্ত্ৰীগৰাকীয়ে ভাৰত-বাংলাদেশ আন্তঃৰাষ্ট্ৰীয় সীমান্তও পৰিদৰ্শন কৰাৰ কথা। কাইলৈ তেওঁ প্ৰধানমন্ত্ৰী আবাস যোজনাৰ গৃহ, অমৃত সৰোবৰকে বিভিন্ন আঁচনিৰ পৰ্যালোচনা কৰিব।

০০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত যোৱানিশা বনকৰ্মী আৰু আৰক্ষীৰ সৈতে হোৱা গুলীয়াগুলীত এজন চোৰাং চিকাৰী নিহত হয়। উদ্যানখনৰ অগৰাতলী বনাঞ্চলৰ ধানবাৰী বনশিবিৰ এলেকাত বনকৰ্মী আৰু আৰক্ষীৰ যুটীয়া অভিযানত আঘাতপ্ৰাপ্ত চিকাৰীজনক বোকাখাতৰ ছহিদ কমলা মিৰি মহকুমা অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও চিকিৎসকে তেওঁক মৃত বুলি ঘোষণা কৰে। নিহত চিকাৰীজনৰ পৰা এটা বন্দুক উদ্ধাৰ কৰা হৈছে। চোৰাং চিকাৰীজনক বাতৰি যুগুতোৱাৰ পৰলৈ চিনাক্ত কৰিব পৰা হোৱা নাই।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে পৰহিলৈ নিশা ৮ বাজি ২ মিনিটত ইয়াৰ দৃষ্টিপাত অনুষ্ঠানত সেনাবাহিনীত কৰ্মসংস্থাপনৰ সুবিধা শীৰ্ষক এটা বিশেষ আলোচনা অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত নৌ-বাহিনীৰ অৱসৰপ্ৰাপ্ত কমোডৰ কমলেশ চৌধুৰী আৰু স্থল সেনাবাহিনীৰ অৱসৰপ্ৰাপ্ত ব্ৰিগেডিয়াৰ বলেন্দ্ৰ গোস্বামীয়ে অপাৰেচন সিন্দূৰত সেনাবাহিনীৰ সফলতাৰ আঁৰৰ কথাও প্ৰকাশ কৰিব। এই অনুষ্ঠানটিৰ আঁত ধৰিব আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে। এই অনুষ্ঠান আকাশবাণী গুৱাহাটীৰ ১০১ দশমিক ৬ মেগাহাৰ্টজ, অল ইণ্ডিয়া ৰেডিঅ’ এপৰ লগতে ফে’চবুক পেজ AIRNEWSGHY.RNUত আৰু ইউটিউব চেনেল @AIRNEWSGUWAHATI ত লাইভ ষ্ট্ৰিমিঙতো শুনিবলৈ পাব।

০০০০০০০

স্নাতকোত্তৰ শিক্ষক পদৰ বাবে যোৱা ১৯ জানুৱাৰীত অনুষ্ঠিত টেট তথা নিযুক্তি পৰীক্ষাত লাভ কৰা নম্বৰসমূহ কাইলৈ দিনৰ ১১ বজাৰ পৰা ৰাজ্য চৰকাৰৰ মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ ৱেবছাইটত উপলব্ধ হ’ব। এই সন্দৰ্ভত মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ সঞ্চালক মমতা হোজায়ে জাৰি কৰা জাননী অনুসৰি প্ৰাৰ্থীসকলে ৱেবছাইটৰ পৰা নম্বৰসমূহ ডাউনলোড কৰিব পাৰিব। যিসকল প্ৰাৰ্থী নথিপত্ৰ পৰীক্ষাৰ বাবে বাছনি হ’ব, তেওঁলোকে প্ৰৱেশ পত্ৰ ডাউনল’ড কৰিব পাৰিব। বাছনি হোৱা প্ৰাৰ্থীসকলে পৰৱৰ্তী নিৰ্ধাৰিত তাৰিখ আৰু সময়ত নথি পৰীক্ষণত উপস্থিত থাকিব লাগিব। নথি পৰীক্ষণ ছটা মণ্ডলত সম্পন্ন হ’ব বুলি জনোৱা হৈছে।

০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ প্লে’ অফ পৰ্যায়ৰ খেলসমূহ আজি আৰম্ভ হ’ব। মুল্লানপুৰত আজি হ’বলগীয়া প্ৰথমখন কোৱালিফায়াৰত পইণ্ট তালিকাৰ শীৰ্ষত থকা পঞ্জাৱ কিংছ দ্বিতীয় স্থানৰ ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৰ সন্মুখীন হ’ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ’ব।

প্ৰতিযোগিতাত কাইলৈ এলিমিনেটৰ খেলৰ প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ তৃতীয় স্থানৰ গুজৰাট টাইটানছ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব। এলিমেনেটৰ খেলত জয়লাভ কৰা দলটো দেওবাৰে দ্বিতীয়খন কোৱালিফায়াৰত প্ৰথমখন কোৱালিফায়াৰত পৰাজিত দলটোৰ সন্মুখীন হ’ব। এই খেলখনত জয়লাভ কৰা দলটো ৩ জুনত আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হবলগীয়া ফাইনেলত প্ৰথমখন কোৱালিফায়াৰত জয়লাভ কৰা দলটোৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব।

০০০০০

সমাপ্ত